## ৩.০১.১২. শক্তিবাদ  বা শাক্ত সম্প্ৰদায়

বিশ্বব্ৰহ্মাণ্ডৰ চালিকা শক্তিৰ ধাৰণা কেৱল যে দাৰ্শনিক, ধৰ্মতত্ত্ববিদ আদিৰ মাজতেই সীমিত তেনে নহয়, আনকি বিজ্ঞানীসকলেও শক্তিৰ অস্তিত্ব স্বীকাৰ কৰি আহিছে। বিশ্বজগতত যি সৎ অৰ্থাৎ যি সত্য সিয়েই শক্তি বা Eternal Energy। এই শাশ্বত আৰু সনাতন Energy-ৰ নাম বা আখ্যা বিভিন্ন পণ্ডিতে বিভিন্ন ধৰণে দিছে। ঋগ্বেদত এই শক্তি বা Eternal Energyৰ বিষয়ে এইদৰে কোৱা হৈছেঃ *একং সদ্বিপ্ৰা বহুধা বদন্তি*। (১/৬৪/৪৬)

অৰ্থাৎ সত্য এক, কিন্তু পণ্ডিতসকলে বহু প্ৰকাৰে কয়, অৰ্থাৎ সেই 'সৎ' বা 'সত্য'ক পণ্ডিতসৱে বিভিন্ন নাম দিয়ে, অথবা বিভিন্ন প্ৰকাৰে আহ্বান কৰে আৰু ইয়াৰ পৰিণতিত উদ্ভৱ হ'ল — শাক্ত, শৈৱ, বৈষ্ণৱ আদি মাৰ্গৰ।

শক্তিকে ইয়াৰপৰা সহজেই অনুমান কৰিব পাৰি যে, বিশ্বব্ৰহ্মাণ্ড ব্যাপি বিৰাজমান সৎ বা সত্য শক্তি বা Eternal এনাৰ্জি-ৰ শ্ৰীময়ী আৰু ঐশ্বৰ্য্যময়ী অভিব্যক্তিয়েই হ'ল দেৱী বা শক্তি স্বৰূপা। 'শক্তি' শব্দটো ব্যাকৰণৰ দৃষ্টিভংগীৰ ব্যাকৰণৰ স্ত্ৰীলিংগ বাচক পদ। গতিকে দেৱী, শক্তিৰ প্ৰকৃত অভিব্যক্তি।

চিৰশাশ্বত শক্তিৰ নৰত্বাৰোপৰ পৰিণতিত শক্তি অৰ্থাৎ দেৱী, অথবা মাতৃদেৱীৰ উদ্ভৱ সম্ভৱ হৈছে। যি শক্তিৰ বলত বিশ্বজগত গতিশীল হৈ আছে সেই শক্তিয়েই পৰমা বা আদ্য বা মূল শক্তি— সেই শক্তিৰ নাৰীময়ী ৰূপেই মহাদেৱী। পুৰুষ মাত্ৰেই শিৱ আৰু স্ত্ৰী মাত্ৰেই শক্তি। প্ৰজনন শক্তিৰ আধাৰভূতা নাৰীয়েই দেৱী অথবা মহাদেৱী। প্ৰকৃতিবাদৰ মাধ্যমেৰে শক্তিতত্ত্বৰ বৈশিষ্ট্যৰাজি প্ৰতিফলিত হৈছে। জগতৰ সৰ্বত্ৰতে মাতৃদেৱীৰ ধাৰণা প্ৰচলিত। শাক্ত দাৰ্শনিকসকলৰ মতে পৰম ব্ৰহ্ম, চিৰ শাশ্বতা শক্তিৰ প্ৰতিভূ মাথোন। এই শক্তিৰ পৰাই জীৱ-জংগম, কীট-পতংগম্ আদি পৰিদৃশ্যমান জগতৰ সৃষ্টি হৈছে। জীৱসমূহে জন্মলাভ কৰে মাতৃ-গৰ্ভৰপৰা। সেইবাবে মানৱ বা অন্য প্ৰাণীৰ অদ্ভুত জগৎ স্ৰষ্টা পৰমেশ্বৰৰ স্বৰূপ উপলব্ধি কৰিব লাগিব মাতৃ শব্দৰ সংযোগতহে। মানুহে যেনেকৈ বেথা-বেদনা, দুখ-দুৰ্ভাগ্যৰ সময়ত 'মা' বা 'আই' বুলি হঠাতে চিঞৰি উঠে, অথবা সীমাহীন বিপদ-বিঘিনীৰ ক্ষণতো মাক বা মাতৃলৈ মনত পেলায়, তদ্ৰূপ একমাত্ৰ পৰমাতৃ বা জগন্মাতাইহে দুখ-দুৰ্গতি, অপায়-অমঙ্গল আদি দূৰ কৰিব পাৰে। এই পৰমা প্ৰকৃতিয়েই শক্তি। শক্তিৰ উপাসকসকল শাক্ত স্বৰূপে পৰিচিত। জগন্মাতা পৰমা প্ৰকৃতিয়েই পাৰ্বতী , দুৰ্গা, কালী। যেনেকৈ নীলিম অকোশৰ মুকুটমণি স্বৰূপ চন্দ্ৰমা অসীম বাৰিধিত বিভিন্ন ৰূপে প্ৰতিফলিত হয়, তদ্ৰূপ পৰমা ঈশ্বৰী, সনাতনী ব্ৰহ্মৰূপিণী দেৱী গৰাকীক যি নামেই দিয়া নহওক কিয় তেৰেঁই বিভিন্ন দেৱতা আৰু তেওঁলোকৰ শক্তি স্বৰূপে আত্মপ্ৰকাশ কৰিছে।

শক্তিবাদ বা শক্তিতত্ত্ব সামাজিক ব্যাপাৰ। মাতৃসমাজ বা নাৰী সমাজ আৰু তেওঁলোকৰ সামাজিক মূল্যবোধৰ আধাৰতেই শক্তিবাদ বা দেৱীতত্ত্বৰ জন্ম। যুগে যুগে নাৰী সমাজৰ প্ৰতি পুৰুষ সমাজে প্ৰদৰ্শন কৰি অহা শ্ৰদ্ধা আৰু সন্মানেই দেৱীতত্ত্বৰ উৎস। ভূমি আৰু আকাশৰ মাজত যুগ যুগ ধৰি সাধকসকলে পত্নী আৰু স্বামীৰ সম্পৰ্ক লক্ষ্য কৰি আহিছে (দ্যাবা পৃথিবী)। নাৰীসকল ভূমিৰ দৰে উদাৰ আৰু সৃষ্টিশীল আৰু এই সৃষ্টিশীল তথা ক্ৰিয়াশীল-মমতাবৃত গুণ দুটিয়ে তেওঁলোকক দিছে দেৱীৰ মৰ্য্যাদা আৰু এই মৰ্য্যাদাৰ আধাৰতেই জন্ম হৈছে শক্তিতত্ত্বৰ। শক্তিতত্ত্ব বস্তুৰ উপলব্ধি আৰু এই বাস্তৱ উপলব্ধিৰ অন্যতম উদ্দেশ্য নাৰী সমাজক শ্ৰদ্ধা আৰু সন্মান কৰা। সেইবাবেই সেয়েহে বৈষ্ণৱ পৰম্পৰাতো শক্তিতত্ত্বই প্ৰাধান্য লাভ কৰিছে। ভাগৱত-পুৰাণ সদৃশ বৈষ্ণৱ পুৰাণতো স্বয়ং বিষ্ণুৱেই দুৰ্গা, ভদ্ৰা, কালী আদি দেৱীৰ বিভিন্ন ৰূপক স্বীকৃতি দিবলৈ বাধ্য হৈছে ঃ

*অৰ্চ্চিষ্যান্তি মনুষ্যাস্ত্বাং সৰ্বকাম ৱৰেশ্বৰীম্।*
*ধুপোপহাৰ বলিভিঃ সৰ্বকামৱৰ প্ৰদাম্।।*
*নাম ধৈয়ানি কুৰ্বন্তি স্থানানি চ নৰা ভুৱি।*
*দুৰ্গেতি ভদ্ৰকালীতি বিজয়া বৈষ্ণৱীতি চ।।*
*কুমুদা চণ্ডিকা কৃষ্ণা মাধৱী কন্যাকেতি চ।*
*ময়া নাৰয়ণীশানী শৰদেত্যম্বিকেতি চ।।* (১০/২/১০-১৩)

এই শ্লোককেইটি শংকৰদেৱে তলত দিয়াৰ দৰে অনুবাদ কৰিছে ঃ

*হেনদেখি নাৰায়ণে। আদেশ কৰিলা পাচে। মহামায়া গোকুলক যাহা।*
*দৈৱকীৰ গৰ্ভ হৰি। ৰোহিণীত থৈয়ো নিয়া। যশোদাত তুমি উপজাহা।।*
*আমিও সাক্ষাতে গৈয়া। দৈৱকীত উপজিবো। বসুদেৱে আনিব পলাই।*
*দুৰ্গা ভদ্ৰা কালী আদি। হুইবেক তোমাৰ নাম। থাকিবা লোকৰ পুজা খাই।* (আদি দশম)

তেনেদৰে এইখন পুৰাণতেই, ব্ৰজাংগনাসৱে নন্দ-পুত্ৰ গোপালক স্বামী ৰূপে লাভ কৰিবৰ বাবে এমাহ ব্যাপী কাত্যায়নী ব্ৰত পালন কৰি দেৱী পাৰ্বতীৰ ওচৰত এনেদৰে প্ৰাৰ্থনা কৰিছিল :

*কাত্যায়নী মহামায়ে মহাযোগিন্যধীশ্বৰি।*

*নন্দ গোপ সুতাং দেৱি পতিং মে কুৰুতে নমঃ।।* (১০/২২/৪-৫)

সেইদৰে মহাভাৰতৰ 'বিৰাট পৰ্ব' আৰু 'ভীষ্ম পৰ্ব'ত ভগৱান শ্ৰীকৃষ্ণৰ উপদেশক্ৰমে ৰণ বিজয়ৰ বৰ লাভৰ বাবে যুধিষ্ঠিৰ আৰু অৰ্জুনে দুৰ্গা দেৱীক পূজা-উপাসনা কৰাৰ বৰ্ণনা পোৱা যায়। শক্তিতত্ত্ব বৈদিক যুগৰ পূৰ্বৰেপৰা ভাৰতবৰ্ষত চলি আহিছে। পৃথিৱীৰ বিভিন্ন অঞ্চলতো দেৱী-উপাসনাৰ ঐতিহাসিক প্ৰমাণ পোৱা যায়। অতি প্ৰাচীন কালৰেপৰা অসম দেশ শক্তি পূজাৰ প্ৰাণকেন্দ্ৰ স্বৰূপে পৰিগণিত হৈ আহিছে। পণ্ডিতসকলৰ মতে শক্তি পূজাৰ উৎস ভূমি অসম আৰু বংগদেশ। উইলছন-এ অনুমান কৰে যে অসম বা বংগদেশৰ উত্তৰ-পূৰ্বাঞ্চলেই শক্তি আৰু তান্ত্ৰিক মতবাদৰ উৎপত্তিস্থল। তেওঁৰ মতে অসম অথবা বংগদেশত উদ্ভাৱিত শক্তিবাদ আৰু তান্ত্ৰিকবাদেই বেদ, পুৰাণ-মহাকাব্য আদিতো কিছুপৰিমাণে প্ৰভাৱ বিস্তাৰ কৰিছিল। উইলছনৰ ভাষাত :

*.... Assam, or atleast the north-east of Bengal, seems to have been in great degree, the source from which the Tāntrika and Sākta connections of the religion of the Vedas and Purāṇas procceded.*[৭৮]

ইলিয়টৰ মতে ভাৰতবৰ্ষৰ পূৰ্বাঞ্চলত অৰ্থাৎ অসম বা বংগদেশত শাস্ত্ৰসহ শক্তিতত্ত্ব সীমিত নহলেও অন্ততঃ এই অঞ্চল শক্তি উপাসনাৰ মুখ্য কেন্দ্ৰ আছিল :

*Saktism, in the sense of a definite sect with scriptures of its own, if not confined to the north-east corner, at least has its head quarter there.*[৭৯]

উইণ্টাৰনিজৰ মতেও শক্তিতত্ত্ব আৰু তান্ত্ৰিকবাদৰ উৎপত্তিস্থল অসম আৰু বংগদেশ আৰু ইয়াৰ পৰাই এই মতবাদে ভাৰতৰ বাহিৰেও নেপাল, তিব্বত, চীন আদি বিভিন্ন দেশত বিস্তৃতি লাভ কৰিছে। প্ৰাচীন কামৰূপ যে, শক্তি পূজাৰ কেন্দ্ৰ আছিল তাৰ স্পষ্ট প্ৰমাণ শিল্প-ভাস্কৰ্য, তাম্ৰলিপি, মৌখিক সাহিত্য, লিখিত সাহিত্য আদিয়েও দিয়ে।

*দেৱী-পুৰাণ*-ৰ মতে কামাখ্যাৰ গিৰি কন্দৰত দেৱীক পূজা-অৰ্চনা কৰাৰ পৰম্পৰা সনাতন কালৰেপৰা চলি আহিছে। *দেৱী-পুৰাণ*-ৰ ভাষাত *'যজেল্লৌমাম্বাজো দেৱীং কামাখ্যে গিৰিকন্দৰে ....'*।[৮০]

তেনেদৰে কামৰূপতো দেৱী অতি প্ৰাচীন কালৰেপৰা অৰ্চিতা হৈ আহিছে ; যেনে : কামৰূপে তথা কাঞ্চ্যাং চম্পায়াঞ্চাথ বৈদিশে।[৮১]

প্ৰাগজ্যোতিষ-কামৰূপ অতি প্ৰাচীন কালৰে পৰা দেৱী-পূজাৰ বাবে যে চিৰপ্ৰসিদ্ধ আছিল তাৰ আভাস নৃতত্ত্বৰ পৰাও জানিব পাৰি। এই ভৌগোলিক অঞ্চল মুখ্যতঃ অষ্ট্ৰিক আৰু মংগোলীয় বা কিৰাতসকলৰ আবাস স্থল আছিল। অষ্ট্ৰিকসকল দেৱী-পূজক আছিল ; তেনেদৰে কিৰাতসকল আছিল শিৱ আৰু শক্তিপূজক। কামাখ্যা পদটো অষ্ট্ৰিক ভাষা সম্ভূত। 'কামোচ্' শব্দৰপৰা কামাখ্যা পদটো উদ্ভৱ হৈছে বুলি ক'ব পাৰি। 'কামোচ্' শব্দৰ অৰ্থ মৰাশ, মৰাশৰ সৈতে কিন্তু কামাখ্যাৰ সম্পৰ্ক দেখুৱাব পাৰি; যিহেতু দেৱীৰ দেহৰ (অৰ্থাৎ মৰাশৰ) যোনিমণ্ডল নীলাচলত পতিত হৈছিল আৰু সেই ক্ষেত্ৰৰ নামেই কামাখ্যা, গতিকে কামাখ্যাৰ সৈতে যে মৰাশৰ সম্পৰ্ক ৰক্ষিত হৈ আহিছে তাত সন্দেহ নাই। কেশী পদৰ সৈতে 'কামা' বা কালীৰ সম্পৰ্ক দেখুৱাব পাৰি। কেশী পদটো অনা আৰ্য ভাষাসম্ভূত। বিশেষকৈ খাচী ভাষাৰ (অষ্ট্ৰিক) পৰা এই পদটো আহিছে বুলি অনুমান কৰিব পাৰি। ড° বাণীকান্ত কাকতিৰ মতে কেশী অসুৰ বাচক শব্দ; আনহাতে এই পদটোৱে গছৰ নামকো সূচায়। অষ্ট্ৰিক খাচী বা খাচীয়া ভাষাত 'ক্সেহ' (Kseh)ৰ অৰ্থ সৰল গছ। 'ক্সেহ' পদৰ পৰা 'কেশী' পদৰ উদ্ভৱ হৈছে ; যেনে : ক্সেহ >কেসেহ >কেশে>কেশি, কেশী।[৮২]

ড° কাকতিৰ ভাষাত :

এনে অনুমান হয়, যে, সকল গছেৰে আবৃত মাটিয়া পৰ্বত এখন শ্মশান ভূমি আছিল। সেই গছবোৰ পুৰি পৰ্বত মুকলি কৰি সেই শ্মশানতেই কোনোবা সন্ন্যাসীয়ে 'কামা' নামে শ্মশান দেৱীৰ পূজা আৰম্ভ কৰিলে। কালক্ৰমে সেই কামা নামক দেৱী মহাকালীৰ ৰূপান্তৰ বুলি স্বীকৃত হ'ল। পূজক আৰু স্থানৰ নাম অনুসাৰে দেৱীৰ অসংখ্য নাম, যেনে ঃ চামুণ্ডা, কিৰাতী, হৈমৱতী, বিন্ধ্যবাসিনী ইত্যাদি। গছৰ নাম অনুসাৰে দৈত্যসকলৰ নামৰ উদাহৰণ, যেনে ঃ বহ্মাসুৰ = বহ্ম নামৰ অসুৰ। বহ্ম = বাঁহ গছ। যোগিনী তন্ত্ৰৰ উপাখ্যান আৰু কামা শব্দৰ নিৰুক্তিৰ পৰা অনুমান হয় মহাকালী পূজা অসমত প্ৰথমে দেৱীৰ সংহাৰ মূৰ্তিত শ্মশান পূজা হিচাপে চলিছিল। পাছৰ কালত তন্ত্ৰৰ যুগত যোনি পূজাৰ প্ৰৱৰ্তন হ'লত 'কামা' = কালীৰ সংহাৰ মূৰ্তিৰ দ্বৈত ৰূপ হিচাপে যোনি পূজা, ইয়াত চামিল কৰা হ'ল।**

ওপৰৰ আলোচনাৰপৰা অতি সহজে অনুমান কৰিব পাৰি যে, আৰ্যসংস্কৃতি প্ৰাগজ্যোতিষ পৰ্যন্ত সম্প্ৰসাৰিত হোৱাৰ পূৰ্বৰে পৰা এই অঞ্চলত শক্তিতত্ত্ব বা দেৱী-পূজাৰ পৰম্পৰা সক্ৰিয়ভাৱে প্ৰচলিত হৈ আছিল আৰু সেই বাবেই আৰ্য সংস্কৃতিৰ ধাৰক আৰু বাহক নৰকাসুৰক বিষ্ণুৱেদ্বাৰা নিৰ্দেশ দিয়া হৈছিল— কামাখ্যাভিন্ন আন দেৱ-দেৱীক পূজা নকৰিবাঁলৈ ঃ

*স্বপৰ্বতে কামৰূপে চিৰং ত্বং তিষ্ঠ পুত্ৰক।।*
*মহাদেৱীং মহামায়াং জগন্মাতৰম্বিকাম্।*
*কামাখ্যাং ত্বং বিনা পুত্ৰ নানাদেৱং যজিষ্যসি।।*
*ইতো অন্যথা ত্বং বিহৰণ গত প্ৰাণো ভৱিষ্যসি।*
*তস্মান্নৰক যত্নেন সময়ং প্ৰতি পালয়।।***

অৰ্থাৎ, হে পুত্ৰ, তুমি কামৰূপত এই কমনীয় পৰ্বতত চিৰদিন বাস কৰিবা আৰু জগন্মাতা মহামায়াৰূপিণী কামাখ্যা দেৱীৰ বাহিৰে আন আন দেৱ-পূজালৈ মন নেমেলিবা। হে নৰক! মোৰ নিৰ্দেশ যদি তুমি অমান্য কৰা তেনেহ'লে তোমাৰ মৃত্যু হ'ব, গতিকে মোৰ নিৰ্দেশ যত্ন সহকাৰে তুমি পালন কৰিবা।

বিষ্ণুৱে নৰকাসুৰক প্ৰাগজ্যোতিষৰ ৰাজ সিংহাসনত স্থাপন কৰাৰ পূৰ্বৰে পৰা কামাখ্যা দেৱীয়ে এই ভূভাগৰ সাংস্কৃতিক জীৱনত অপ্ৰতিদ্বন্দ্বিনী নায়িকা স্বৰূপে ভূমিকা গ্ৰহণ কৰি আহিছে। ইয়াৰ স্পষ্ট আভাস পোৱা যায় কালিকা পুৰাণত নৰক আৰু পৃথিৱীক লগত লৈ গংগাত প্ৰৱেশ কৰি প্ৰাগজ্যোতিষত উপস্থিত হোৱাৰ প্ৰসংগত ঃ

*ইত্যুক্তা ভগবান্ বিষ্ণুৰাদায় নৰকাহ্বয়ম্।*
*সাৰ্দ্ধং পৃথিব্যা গংগায়াং মমজ্জ জগতাং প্ৰভুঃ।।*
*নিমজ্য ক্ষণমাত্ৰেণ প্ৰাগজ্যোতিষপুৰং গতঃ।*
*মধ্যগং কামৰূপস্য কামাখ্যা যত্ৰ নায়িকা।।***

অৰ্থাৎ, ভগবান বিষ্ণুৱে এইদৰে কৈ নৰক আৰু পৃথিৱীক লগত লৈ গংগাত প্ৰৱেশ কৰি মুহূৰ্ততে প্ৰাগজ্যোতিষপুৰত উপস্থিত হ'ল। এই স্থান বিশেষ কামৰূপত অৱস্থিত আৰু এই স্থানৰ নায়িকা কামাখ্যাদেৱী।

এই দেশখন (অৰ্থাৎ কামৰূপ) শিৱ-মহাদেৱে পূৰ্বৰপৰাই স্বৰাজ অৰ্থাৎ নিজৰ লীলাভূমি স্বৰূপে ৰক্ষা কৰি আহিছিল ঃ

*স চ দেশঃ স্বৰাজ্যাৰ্থে পূৰ্বং গুপ্তশ্চ শম্ভুনা।***

প্ৰাগজ্যোতিষৰ ৰাজসিংহাসনত নৰকাসুৰ অধিষ্ঠিত হোৱাৰ পূৰ্বে এই দেশৰ অধিবাসী আছিল কিৰাতসকল** আৰু তেওঁলোকৰো উপাস্যাদেৱী আছিল কামাখ্যা। সেইবাবে বিষ্ণুৱে পুত্ৰ নৰকাসুৰক কৈছিল বোলে 'কৰতোয়া নামক গংগা পূৰ্বকালে অহৰহ বৈ আছে আৰু এই অঞ্চলত ললিত কান্তাদেৱী চিৰ বিৰাজমানা, সেই স্থান পৰ্যন্ত তোমাৰ

ৰাজ্য হ'ব। এই স্থানত দেৱী মহামায়া জগৎ প্ৰসৱিনী যোগনিদ্ৰাই কামাখ্যা ৰূপ ধাৰণ কৰি সৰ্বদা বিৰাজ কৰিছে :

*কৰতোয়া সদা গংগা পূৰ্বভাগাৱধিশ্ৰয়া।*
*যাৱল্ললিতকান্তাস্তি তাৱদেৱ পুৰং তব।।*
*অত্ৰ দেৱী মহামায়া যোগনিদ্ৰা জগৎপ্ৰসূঃ।*
*কামাখ্যাৰূপমাস্থায় সদা তিষ্ঠতি শোভনা।।*[৩৮]

দিক্কৰ বাসিনী স্বৰূপাৰ্থত নদী নহয়; এই নামেৰে এগৰাকী দেৱীহে। দিক্কৰবাসিনী দেৱীৰ থান বা মন্দিৰ পৰ্যন্ত নৰকাসুৰৰ ৰাজ্যসীমা বিস্তৃত হৈছিল আৰু এই গৰাকী দেৱী কামাখ্যা দেৱীৰেই আন এটি ৰূপ। কালিকা পুৰাণত এইদৰে কোৱা হৈছে :

*কিৰাতান্ জহি যাবত্তং দেৱীং দিক্কৰ বাসিনীম্।*
*পলায়মানান্ বিদ্ৰাব্য পালয় শৰণং গতান্।।*[৩৯]

*কালিকা-পুৰাণ*-ৰ পৰবৰ্তী ৰচনা *যোগিনীতন্ত্ৰ*-ত উল্লেখ আছে যে, শক্তি-উপাসনাৰ বাবে অতি প্ৰাচীন কালৰেপৰা কামৰূপ পৃথিৱী বিখ্যাত, যেনে :

*তবানেনাবং হিতাৰ্থায় স্থাপিতং যোনি মণ্ডলম্।*
*পৃথিব্যাং ভাৰতেবৰ্ষে কামৰূপং মহাফলম্।।*[৪০]

কামৰূপৰ নীলাচলৰ গিৰি কন্দৰত বিৰাজমান যোনিমণ্ডল কামাখ্যাৰ তেজৰদ্বাৰা দেদীপ্যমান : *কামাখ্যা তেজসাদেৱী দীপ্যতে যোনি মণ্ডলম্।*[৪১]

কামাখ্যাদেৱী ব্ৰহ্মৰূপা সনাতনী, তেওঁ পৰমাবিদ্যাৰ পৰা অভিন্না :

*যা কালী পৰমা বিদ্যা ব্ৰহ্মৰূপা সনাতনী।*
*কামাখ্যা সৈব দেৱেশি সৰ্বসিদ্ধি বিনোদিনী।।*[৪২]

দেৱতাসকলৰ ভিতৰত বিষ্ণু শ্ৰেষ্ঠ, দেৱীসকলৰ ভিতৰত লক্ষ্মী শ্ৰেষ্ঠা, তদ্ৰূপ কামৰূপত দেৱীয়েই সৰ্বশ্ৰেষ্ঠা। কামৰূপত দেৱীক্ষেত্ৰৰ সমান আন কোনো তীৰ্থক্ষেত্ৰ হ'ব নোৱাৰে। অন্যক্ষেত্ৰত দেৱী বিৰলা ; কিন্তু কামৰূপৰ প্ৰতি গৃহে গৃহে দেৱী অবিৰলা (বিৰাজিতা) :

*দেৱতানং যথা বিষ্ণুঃ শ্ৰেষ্ঠা লক্ষ্মী মহেশ্বৰি।*
*কামৰূপে তথা দেৱি পূজা সৰ্বোত্তমা স্মৃতা।।*
*কামৰূপং দেৱিক্ষেত্ৰং কুত্ৰাপি তৎসমং ন চ।*
*অন্যত্ৰ বিৰলা দেৱি কামৰূপে গৃহে গৃহে।।*[৪৩]

মহাকবি কালিদাসে *ৰঘুবংশ* মহাকাব্যত 'কামৰূপ-কামাখ্যা'ক হেমপীঠ আখ্যা দিছে।[৪৪] তন্ত্ৰত উল্লেখ থকা 'কামপীঠ', 'কামৰূপ' আৰু 'কামাখ্যা' ভিন্ন আন কোনো স্থান নহয়। *কালিকা পুৰাণ*-ত 'কামপীঠ'ক 'কুব্জিকা পীঠ' আৰু কামাখ্যা বোলা হৈছে।[৪৫] *গৰুড়-পুৰাণ*-ৰ মতে কামৰূপ আৰু 'কামাখ্যা' বিখ্যাত তীৰ্থস্থল ; যেনে : *কামৰূপ মহাতীৰ্থং কামাখ্যাতত্ৰ তিষ্ঠতি।*[৪৬]

শক্তি সংগমতন্ত্ৰ, ছন্নগৰ্ভসূত্ৰ, সম্মোহ তন্ত্ৰ, কামাখ্যাতন্ত্ৰ, হৰ-গৌৰী সম্বাদ আদি সংস্কৃত গ্ৰন্থত কামাখ্যা দেৱীৰ পূজা- উপাসনাৰ বিস্তৰ বৰ্ণনা ৰক্ষিত হৈছে।[৪৭]

শদিয়াৰ তাম্ৰেশ্বৰী মন্দিৰ দেৱী-পূজাৰ আছিল প্ৰসিদ্ধ কেন্দ্ৰ। কামাখ্যা দেৱীৰ পূজা-পদ্ধতিৰ সৈতে তাম্ৰেশ্বৰী দেৱীৰ পূজা-পদ্ধতিৰ সাদৃশ্য লক্ষ্য কৰা যায়। তাম্ৰেশ্বৰী দেৱীয়েই দেৱী দিক্কৰবাসিনী স্বৰূপে *যোগিনীতন্ত্ৰ*য়ে স্বীকাৰ কৰিছে। যেনে : *নিৱসত্যয়ং প্ৰত্যক্ষং যত্ৰ দিক্কৰবাসিনী।*[৪৮]

দিক্কৰ বাসিনী এহাতে তীক্ষ্ণ কান্তা, অন্যহাতে ললিত কান্তা। উগ্ৰতাৰা তীক্ষ্ণ কান্তাৰেই অভিব্যক্তি বিশেষ। এই ৰূপত দেৱী কৃষ্ণা, লম্বোদৰী আৰু এক জটা। ললিত কান্তাৰ অন্য এক অভিব্যক্তি — শ্ৰীমংগল চণ্ডিকা। ইয়াৰ স্পষ্ট আভাস পোৱা যায় কালিকা-পুৰাণ-ত এনেদৰে ঃ

*পীঠে দিক্কৰবাসিন্যা দ্বিৰূপা ৰমতে শিৱা।*
*তীক্ষ্ণ কান্তা হবয়া হ্মেকা যোগ্ৰাতাৰা প্ৰতীৰ্ত্তিতা।।*
*পৰা ললিত কামাখ্যা যা শ্ৰীমংগল চণ্ডিকা।*
*তস্যাস্ত্ত সততং ৰূপং তীক্ষ্ণ কান্তা হবয়ং নৃপ।।*
*কৃষ্ণা লম্বোদৰী যা তু সা স্যাদেকজটা শিৱা।*[illegible]

অৰ্থাৎ, দিক্কৰবাসিনী পীঠত শিৱা অৰ্থাৎ পাৰ্বতী বা দুগাহি তীক্ষ্ণকান্তা আৰু উগ্ৰতাৰা এই দুই ৰূপত বিহাৰ কৰে। হে ৰাজন! ললিত কান্তা নাম যুক্তা পৰাৎপৰা মংগল চণ্ডিকাৰ নামেই তীক্ষ্ণকান্তা। তীক্ষ্ণকান্তা দেৱী কৃষ্ণবৰ্ণা, লম্বোদৰী, একজটা ৰূপা।

উগ্ৰতাৰা দেৱী আৰু তেওঁৰ অনুচৰীসকল যেনে ঃ চামুণ্ডা, কৰালা, সুভগা, ভীষণা, ভগা আৰু বিকটাৰ উদ্ভৱ লোকায়ত সমাজৰপৰা হোৱাই স্বাভাৱিক। ড° বাণীকান্ত কাকতিৰ মতে দেৱী গৰাকীৰ গুণ-নাম উগ্ৰতাৰা আদি বৌদ্ধধৰ্মৰ পৰা আহিব পাৰে।[illegible]

কামাখ্যা মাতৃদেৱী, অন্যহাতে তেওঁ মহাদেৱী। ইতিমধ্যে কোৱা হৈছে যে, কামাখ্যা আৰ্য্য-সংস্কৃতি সম্ভূতা মহাদেৱী নহয়, তেনেদৰে শিৱ-মহাদেৱো বৈদিক দেৱতা নহয়, গতিকে তেওঁৰ উদ্ভৱ আৰ্য্য সমাজৰপৰা হোৱা নাই। কামাখ্যা আৰু শিৱ- মহাদেৱ উভয়ে পৰৱৰ্তী কালত সংস্কৃতীয়াকৰণ প্ৰক্ৰিয়াৰ মাধ্যমেৰে আৰ্য্যায়িত হৈছে আৰু এইদৰেই অনা আৰ্য্য দেৱতা শিৱ আৰু মাতৃদেৱী কামাখ্যাই বৈদিক পৌৰাণিক দেৱ-দেৱতাৰ শাৰীত স্থান লাভ কৰিবলৈ সক্ষম হৈছে— সমন্বয়ৰ পৰিক্ৰমা আৰু সাংস্কৃতিক সংঘাতৰ পৰিণতিত।

অন্যহাতে কামাখ্যা আৰু শিৱৰ মাজত কোনোধৰণৰ বৈবাহিক সম্পৰ্ক সংঘটিত হোৱা নাছিল। কামাখ্যাৰ উদ্ভৱ মাতৃপ্ৰধান সমাজৰ পৰা; বিশেষকৈ অষ্ট্ৰিক সংস্কৃতিৰপৰা। তেওঁ আদিতে আছিল স্বপৰ, তেওঁ কোনো পুৰুষ দেৱতাৰ আজ্ঞাপৰ নাছিল। শিৱ-মহাদেৱৰ উদ্ভৱ হৈছিল দ্ৰাবিড়ীয় সংস্কৃতি, অথবা কিৰাত সংস্কৃতিৰ পৰা (নমো শিৱায় কিৰাতৰূপায়)। তেওঁৰ লগত কামাখ্যাৰ বৈবাহিক সম্পৰ্ক পোনতে স্থাপিত হোৱা নাছিল ; কিন্তু পৰৱৰ্তী কালত কামাখ্যা আৰু শিৱ উভয়ে আৰ্য্যায়িত হোৱাৰ পৰিণতিত দেৱী কামাখ্যা, দেৱী পাৰ্বতীৰ সৈতে একীভূত হৈ পৰিল আৰু দেৱী পাৰ্বতীৰ সাদৃশ্যত দেৱী কামাখ্যাকো শিৱৰ পত্নী স্বৰূপে দেখুৱাবলৈ প্ৰয়াস কৰা হ'ল— বিশেষকৈ কালিকা পুৰাণ, যোগিনীতন্ত্ৰ আদি গ্ৰন্থত। আনকি দেৱী দুৰ্গাৰ সৈতে কামাখ্যা আৰু পাৰ্বতী একাকাৰ হ'ল আৰু সেইবাবে কামাখ্যাকেই দুৰ্গাদেৱী স্বৰূপে পূজা কৰিবলৈ লোৱা হ'ল আৰু এইদৰেই কামাখ্যা মন্দিৰত দুৰ্গা পূজাৰ পৰম্পৰা আৰম্ভ হ'ল। অকল কামাখ্যাতেই নহয় হয়গ্ৰীৱৰ বধস্থল মণিকুটতো অতি প্ৰাচীন কালৰে পৰা শাৰদামন্ত্ৰ আৰু পূজা-উপাসনাৰ ক্ৰমানুসাৰে দুৰ্গাদেৱীক পূজা কৰাৰ ঐতিহ্য প্ৰচলিত হৈ আহিছে— পুৰণি কালৰেপৰা।[illegible] নীলাচল কামাখ্যা মন্দিৰত দেৱী দুৰ্গাকি পূজা-উপাসনা কৰাৰ উপৰি এই অঞ্চলতেই প্ৰতিষ্ঠিত জয়দুৰ্গা আৰু বনদুৰ্গাৰ মন্দিৰত দেৱী দুৰ্গা নিত্য আৰু নৈমিত্তিক উভয় প্ৰকাৰে পূজিত হৈ আহিছে। কামাখ্যাধামৰ জনসাধাৰণৰ মাজত বনদুৰ্গা 'বীৰ্য্যবাহিনী' বা 'বিৰজু বাহিনী' আৰু 'জয়দুৰ্গা' তথা 'জলবাহিনী' স্বৰূপে পৰিচিত। কামাখ্যা মন্দিৰৰ অভ্যন্তৰস্থ যোনি পীঠতেই অৰ্থাৎ কামাখ্যা দেৱীকেই দুৰ্গা দেৱী ৰূপে শৰৎকালত প্ৰায় এমাহ ধৰি পূজা-উপাসনা কৰাৰ ঐতিহ্য বৰ্তমানো জীৱন্ত ৰূপত প্ৰবহমান।[illegible] গতিকে অসমত দুৰ্গা পূজাৰ পৰম্পৰা আহোম ৰাজত্বৰ পৰাহে হৈছে বুলি আভুৱা ভৰাৰ কোনো প্ৰয়োজন নাই।

শক্তিতত্ত্ব বা শক্তিবাদ যে, প্ৰাচীন কামৰূপৰ অত্যন্ত শক্তিশালী ধৰ্মমত আছিল তাত সন্দেহ নাই। শৈৱতত্ত্বৰ পাছতেই শক্তিতত্ত্বৰ স্থান আৰু ইয়াৰ পাছতেই বৈষ্ণৱতত্ত্বৰ স্থান নিৰ্দেশ কৰিব পাৰি। খ্ৰীঃ দশম শতিকাৰ পূৰ্বৰ পৰাই

শক্তিতন্ত্বই বৰ্তমান ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত ব্যাপক আৰু প্ৰভাৱশীল ধৰ্মমত স্বৰূপে ভূমিকা গ্ৰহণ কৰি অহাৰ প্ৰত্যক্ষ প্ৰমাণ হৈছে কালিকা-পুৰাণ, যিখন গ্ৰন্থক শক্তিতন্ত্বৰ চলন, হুকুমনামা আৰু পথ প্ৰদৰ্শক অন্যতম গ্ৰন্থ বা শাস্ত্ৰ আখ্যা দিব পাৰো নিঃসন্দেহে। এই শাস্ত্ৰখন ৰচিত হৈছিল কামৰূপ-কামাখ্যাত খ্ৰীঃ দশম শতিকা মানত। কালিকা পুৰাণৰ পৰৱৰ্তী ৰচনা *যোগিনীতন্ত্ৰ* (খ্ৰীঃ দ্বাদশ শতিকা), *হৰ-গৌৰী সংবাদ* (খ্ৰীঃ ত্ৰয়োদশ শতিকা) আৰু আন আন তন্ত্ৰ ৰচিত হৈছিল কামৰূপ-কামাখ্যাত। প্ৰাগজ্যোতিষ-কামৰূপত যে, অতি প্ৰাচীন কালৰেপৰা শাক্ততন্ত্ব আৰু শাক্ত সাধনা প্ৰচলিত হৈ আছিল তাৰ তাৎপৰ্যাপূৰ্ণ প্ৰমাণ ওপৰোল্লিখিত শাক্ত শাস্ত্ৰৰাজি। আমাৰ এই প্ৰসংগৰ অনুকূলে তাম্ৰশাসনিক বা তাম্ৰলিপিগত প্ৰমাণো উপস্থাপন কৰিব পাৰি। নৃপতি ইন্দ্ৰপালৰ ৰাজত্বকালত উৎকীৰ্ণ শাসনাৱলীৰ জৰিয়তে সহজেই বুজিব পাৰি যে, সেই সময়ত কামৰূপত শক্তিবাদে ব্যাপক প্ৰসাৰতা লাভ কৰিছিল। বৰ্মপাল নৃপতিৰ তেজপুৰ লিপি আৰু ৰত্নপাল ৰজাৰ গুৱাহাটী লিপিৰ পৰা সহজে বুজিব পাৰি যে, পুৰণি অসমত 'মহাগৌৰী' নামৰ ধৰ্মমত এটিৰ প্ৰচলন আছিল। 'মহাগৌৰী' ধৰ্মমত শাক্তমত বা শাক্তবাদৰ নামান্তৰ মাথোন। ডুবি শাসনাৱলী আৰু খোনামুখী শাসনাৱলীতো গংগা আৰু গিৰিজাৰ প্ৰশস্তি পোৱা যায়।[illegible]

মল্লদেৱ অৰ্থাৎ নৃপতি নৰনাৰায়ণ এফালে আছিল শিৱ পূজক, আনফালে তেওঁ আছিল দেৱী পূজক। তেনেদৰে তেওঁৰ ভাতৃ আৰু সেনাপতি শুক্লধ্বজো এফালে আছিল শাক্ত আৰু আনহাতে আছিল শৈৱ। মল্লদেৱৰ পিতৃ বিশ্বসিংহই গৰখীয়া অৱস্থাত ফৰিং বলি দি দুৰ্গাক পূজা কৰিছিল। এই গৰাকী নৃপতিয়েই 'পৰ্বতৰ সমীপ'ত প্ৰাপ্ত দুৰ্গাৰ মূৰ্তি এটি বলিসহ পূজিছিল।

কমতেশ্বৰীদেৱী দুৰ্গাদেৱীৰ অভিব্যক্তি বিশেষ। কমতাপুৰৰ কিছুদূৰত অৱস্থিত কান্ত নগৰৰ অগ্নিকোণত অৱস্থিত কমতেশ্বৰী মন্দিৰত বিধিপূৰ্বক দেৱী দুৰ্গাক পূজা কৰা হৈছিল। বিশ্বসিংহেয়ো কমতেশ্বৰী মন্দিৰত দেৱী কমতেশ্বৰীক বলি বিধানেৰে পূজা কৰাৰ বৰ্ণনা সূৰ্য্যখড়ি দৈৱজ্ঞই দিছে।

নৃপতি নৰনাৰায়ণ আৰু তেওঁৰ ভাতৃ শুক্লধ্বজ দেৱী-পূজক বা শাক্ত আছিল। দেৱী-পূজাত দেৱীৰ অনুগ্ৰহত আহোম ৰজাৰ দ্বাৰা প্ৰদত্ত লৌহপঠা ছাগ বলি দিয়ালে নৃপতি নৰনাৰায়ণ সক্ষম হৈছিল। গৌড়াধিপতিৰ সৈন্যৰ হাতত বন্দী হৈ উদ্ধাৰৰ আন উপায় বিহীন চিলাৰায়ে দুৰ্গাদেৱীক স্তুতি-স্তৱৰে সন্তুষ্ট কৰিহে উদ্ধাৰৰ পথ লাভ কৰিছিল। বিশ্বসিংহ (খ্ৰীঃ পঞ্চদশ শতিকা) আৰু নৰনাৰায়ণ-চিলাৰায়ৰ সময়ত (খ্ৰীঃ ষোড়শ শতিকা) কামৰূপ-কমতাত (বৰ্তমানৰ নামনি অসম) দুৰ্গা পূজাই জনপ্ৰিয়তা লাভ কৰিছিল বিপুলভাৱে।

আহোম স্বৰ্গদেউ ৰুদ্ৰসিংহৰ পিতৃ আছিল দেৱী উপাসক। এই প্ৰসংগত এডৱাৰ্ড গেইটে এনে দৰে উল্লেখ কৰিছে : *He (Gadadhar Singh) was a patron of Sakta Hinduism.*[illegible] গদাধৰ সিংহৰ পুত্ৰ স্বৰ্গদেউ ৰুদ্ৰসিংহ এফালে আছিল শৈৱ, আনফালে আছিল শাক্ত। তেওঁদ্বাৰা প্ৰদত্ত তাম্ৰশাসনত শিৱ আৰু গৌৰী-দুৰ্গা উভয়কে স্তুতি কৰা হৈছে।

ৰুদ্ৰসিংহৰ দেৱী-ভক্তিৰ উল্লেখ তেওঁৰদ্বাৰা ৰচিত *শিৱ-পুৰাণ*-তো পোৱা যায়।[illegible] গেইটৰ মতেও ৰুদ্ৰসিংহ আছিল শক্তিবাদৰ অকুণ্ঠ সমৰ্থক।[illegible] ৰুদ্ৰসিংহই ৰজাঘৰীয়াকৈ দুৰ্গা-পূজা কৰাইছিল। ৰুদ্ৰসিংহৰ পুত্ৰ শিৱসিংহৰ দেৱী পূজাৰ প্ৰতি আছিল অশেষ শ্ৰদ্ধা। পিতৃ ৰুদ্ৰসিংহৰ দৰে তেৰোঁ আছিল শ্ৰীহৰ-গৌৰীৰ সেৱক। তেওঁ দেৱী-মন্দিৰ প্ৰতিষ্ঠা কৰাইছিল আৰু প্ৰাচীন দেৱী মন্দিৰবিলাক মেৰামতি কৰাই পূজা উপাসনাৰ সুব্যৱস্থাৰ অৰ্থে ভূমি দান কৰিছিল। পিতাকৰ দৰে শিৱসিংহেয়ো ৰজাঘৰীয়াকৈ দুৰ্গা পূজা কৰিছিল দেৱী প্ৰতিমা নিৰ্মাণ কৰি। শিৱসিংহৰ পত্নী বৰৰজা ফুলেশ্বৰী আছিল শাক্তধৰ্মৰ অকুণ্ঠ সমৰ্থক। স্বামী শিৱসিংহৰ নিচিনাকৈ তেৰোঁ দেৱী-মন্দিৰ প্ৰতিষ্ঠা কৰাইছিল আৰু দেৱী-মন্দিৰ-থান আদিত পূজাসেৱাৰ ব্যৱস্থা কৰিছিল। এই সন্দৰ্ভত তেওঁ মঠ-মন্দিৰ আদিৰ প্ৰতি ভূমি দান দিছিল। শাক্তধৰ্মৰ প্ৰতি বৰৰজা ফুলেশ্বৰী স্বামী শিৱসিংহতকৈও অধিক আকৃষ্ট হোৱাৰ প্ৰৱণতা প্ৰকাশ পাইছে।[illegible]

শিৱ সিংহৰ পৰৱৰ্তী নৃপতিসকলে, যেনে : প্ৰমত্ত সিংহ, ৰাজেশ্বৰ সিংহ, লক্ষ্মী সিংহ, গৌৰীনাথ সিংহ, কমলেশ্বৰ সিংহ, চন্দ্ৰকান্ত সিংহ আদি স্বৰ্গদেউসকলেও দেৱী-পূজাৰ সম্প্ৰসাৰণত বিশিষ্ট ভূমিকা গ্ৰহণ কৰিছিল।

দৰং জিলাৰ কলাইগাঁও বা কালাইগাঁৱৰ নিকটস্থ মৃত্যু দেবালয় নামৰ বণ্ডিনীয়া মঠ-মন্দিৰৰ ভগ্নাৱশেষ লক্ষ্য কৰা যায়। এই দেবালয়ৰ মূল দেৱতা হৈছে কৈচাইখাইতী গোসানী। এই থানাত কছাৰীসকলে দেৱীক মদে-প্ৰহৰে পূজা কৰিছিল মাদল আদি বাদ্য-যন্ত্ৰ সংগত কৰি। জনশ্ৰুতি প্ৰচলিত আছে যে অতীতত এই দেবালয়ত নৰবলিও হৈছিল। নলখামাৰাতো দেৱীথান আছে। এই মন্দিৰটো নৰনাৰায়ণে নিৰ্মাণ কৰাইছিল বুলি শুনা যায়। দৰঙ্গৰাজ বংশাৱলী-ৰ মতে ভ্ৰমৰা কুণ্ডৰ ওচৰত ত্ৰিশূল দেৱী ধনেশ্বৰীৰ মধ্যত মঠ এটা নিৰ্মাণ কৰে নৰনাৰায়ণে। তেওঁ এই মঠৰ দেৱীত প্ৰতিমা স্থাপন কৰি নাম দিছিল নলখামাৰ (পদ ৩৩০-৩২)।[৬৮]

জয়ন্তীয়া ৰজাই গৌৰীক আৰাধনা কৰি জয়ন্তী নামে কন্যা এজনী পালে। এই কন্যাৰ নাম অনুসাৰে জয়ন্তী দেৱী, দুৰ্গাৰ নাম হ'ল। চুতীয়া ৰজা খুণ্ডই ম'হ গৰখীয়া অৱস্থাত কিৰাতকী ৰূপিণী কালিকা দেৱীক সন্তোষ দিছিল। দেৱীৰ কৃপাত তেওঁ ৰজা হ'ল।[৬৯]

দৰঙৰ ৰজাসকলে শৈৱ-শাক্ত-বৈষ্ণৱ আদি হিন্দুধৰ্মৰ প্ৰতি সমভাৱ পোষণ কৰিছিল। এই প্ৰসংগত দৰঙী ৰজাসকল তেওঁলোকৰ পূৰ্বপুৰুষ বিশ্বসিংহ-নৰনাৰায়ণ-শুক্লধ্বজৰ ধৰ্মীয় উদাৰতাৰ প্ৰতি সচেতন আছিল। তেওঁলোকে ৰজা ঘৰীয়াকৈ দুৰ্গা-পূজা, মাৰৈ পূজা, মনসা-পূজা আদি উদযাপন কৰিছিল আৰু প্ৰজাসাধাৰণকো দুৰ্গা-পূজা, মাৰৈ-পূজা আদি সম্পাদন কৰিবলৈ উৎসাহ যোগাইছিল। দুৰ্গা-পূজা, মাৰৈ পূজা আদিত সেই পূজা-উপাসনাৰ সৈতে জৰিত পুৰাণগত গাঁথা গাবৰ বাবে কথকতাৰ আধাৰত সৃষ্ট ওজাপালিৰ শ্ৰীবৃদ্ধিৰ বাবে প্ৰয়োজনীয় ঢুলীয়া-খুলীয়া অনুষ্ঠানৰ উন্নতিৰ বাবেও দৰঙী ৰজাসকলে আপ্ৰাণ চেষ্টা কৰাৰ প্ৰমাণ পোৱা যায়।

শংকৰদেৱৰ সময়ত অসম, কামৰূপ আৰু কমতাত আছিল শক্তি-পূজাৰ ব্যাপক প্ৰচলন। শংকৰদেৱ আৰু মাধৱদেৱৰ পূৰ্বপুৰুষসকল ঘোৰ শাক্ত আছিল। শংকৰদেৱৰ পূৰ্বপুৰুষ লণ্ডাৱৰ আছিল চণ্ডীৰ উপাসক।[৭০] চণ্ডীৰ বৰত জন্ম হোৱা পুত্ৰটিৰ নাম আছিল চণ্ডীবৰ ঃ 'চণ্ডী দাতা দেখি চণ্ডীবৰ'। দেৱীৰ প্ৰতি গভীৰ আনুগত্য থকা বাবেই ৰজা দুৰ্লভ নাৰায়ণে চণ্ডীবৰক দেৱীদাস উপাধি দিছিল ; যেনে ঃ

*পূৰ্বতে আছিলা এক চণ্ডীবৰ নাম।।*
*মনত চিন্তন্তে দেৱী সাক্ষাত হোৱন্ত।*
*দেৱীৰ প্ৰভাৱে মহা পণ্ডিত ভৈলন্ত।।*
*বাদ কৰি পণ্ডিতক পদাৰ্থে ভঙ্গাইলা।*
*দুৰ্লভ নাৰায়ণে দেৱীদাস নাম থৈলা।।*[৭১]

এনে বিধৰ বৰ্ণনা শংকৰদেৱৰ ৰুক্মিণী-হৰণ কাব্য আৰু দৈত্যাৰি ঠাকুৰৰ গুৰু চৰিততো পোৱা যায়।[৭২] শংকৰদেৱৰ পিতৃ গৃহত প্ৰস্তৰ নিৰ্মিত চণ্ডীৰ মূৰ্তি এটি পূজিত হৈছিল।[৭৩] মহেন্দ্ৰ কন্দলীয়ে শংকৰদেৱক চণ্ডী আৰু দুৰ্গাৰ মন্ত্ৰ শিকাবলৈ চেষ্টা কৰিছিল।[৭৪] শংকৰদেৱ আৰু তেওঁৰ পূৰ্বগামী কবিসকলৰ ৰচনাৱলীত ৰণ-চণ্ডী আৰু দুৰ্গাৰ উল্লেখ লক্ষ্য কৰা যায়। যেনে ঃ

(ক) *ৰাক চাটিমাৰি খাণ্ডা আকাশত ধৰে।*
*আজি ৰণচণ্ডীক পূজিব সাৰে সাৰে।।*[৭৫]

(খ) *চাপৰন্তে যাই কেহো হোয়ে কুজা।*
*কতো চণ্ডী সুমৰয় কতো দশভূজা।।*[৭৬]

(গ) *তনুজ্বলৈ নৱসূৰ্য্য আঠ অস্ত্ৰ আঠ ভূজ*
*দিব্য অলঙ্কাৰে জোতি কৰে।*
*অসংখ্যাত বিদ্যাধৰী সেৱে নৃত্য গীত কৰি*
*স্তুতি কৰে চাৰণ কিন্নৰে।।*[৭৭]

শংকৰদেৱৰ ওচৰত শৰণ লোৱাৰ পূৰ্বলৈকে মাধৱদেৱ আছিল ঘোৰ শাক্ত। শক্তিতত্ত্বৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈ তেওঁ শংকৰদেৱৰ লগত 'শাস্ত্ৰপথে' তৰ্কত প্ৰবৃত্ত হৈছিল। বাৰভূঞাসকল আছিল দেৱী ভক্ত। তেওঁলোকৰ হাতত তাত্ৰাক্ষৰী শাস্ত্ৰ নামে তন্ত্ৰৰ পুথি এখন আছিল যাৰ নাম কল্পতৰু। শংকৰদেৱৰ সতীয়া ভায়েক কালণ্ডলগিৰি শাক্ত আছিল। তেওঁ শংকৰদেৱৰ উপস্থিতিতেই পঠা ছাগলি এটি দেৱীৰ উদ্দেশ্যে বলি দিছিল। দৈত্যাৰি ঠাকুৰে তেওঁৰ গুৰু চৰিতত উল্লেখ কৰিছে যে, বৰুনগৰ অঞ্চলৰ লোকসকলে বিষ্ণু উপাসনাৰ প্ৰতি ঔৎসুক্য প্ৰকাশ নকৰি শক্তিতত্ত্বৰ প্ৰতিহে গভীৰ আসক্তি প্ৰকাশ কৰিছিল। গোবিন্দ গৰমণি আদিতে দেৱী পূজকহে আছিল।

বৰোসকলেও বাচণ্ডী, কেচাই খাইতী, মনসা বা মাৰাই দেৱী, মাওখানশ্ৰী অথবা মাইনাওশ্ৰী, আখাশ্ৰী, মৌনশ্ৰী, মাওৰীনবুড়ী, আয়ঠাকুৰাণী (আই কামাখ্যা) আদি দেৱীক পূজা-অৰ্চনা কৰে। ৰাভাসকলৰ মাজত বকমণী বা বিষহৰী, দেৱী নাৰায়ণী বা ভুকুৰীয়া দেৱী, খোকছীৰা দাদুৰী, তমাই, নকুতী, ৰুন্তুক, বেছেক, তুৰাস্কী, আদি দেৱীৰ উপাসনা পৰম্পৰাগতভাৱে চলি আছে। ডিমাছাসকলে দিলনজিক, হেৰেমদী, গামাদী আদি দেৱী পূজা কৰে। মিচিংসকলে লক্ষ্মীদেৱী, পঃল আদিও পূজা কৰে। কাৰবিসকলে লখিমী (হেচা) আৰু হিন্দুসকলৰ মাজত পূজিত আন অন দেৱীকো পূজা কৰে। তিৱাসকলৰ ধৰ্মীয় বিশ্বাসত স্থান পোৱা দেৱীসকলৰ ভিতৰত আই গোসানী, লখিমী, পদুমী, কালিকা, কামাখ্যা, আকাৰী, জগতজুৰী আদি উল্লেখযোগ্য।

পূৰ্বকবি অপ্ৰমাদী মাধৱ কন্দলীৰ দ্বাৰা অনূদিত *অসমীয়া ৰামায়ণৰ* বিষয় বস্তুৰ বৰ্ণনাৰ প্ৰসংগত শক্তিতত্ত্বৰ সৈতে সম্পৃক্ত বিভিন্ন উপমা-ৰূপক-উৎপ্ৰেক্ষা আদি অলংকাৰ প্ৰয়োগ কৰিছে ; যিবোৰ অলংকাৰৰ সংকেত মূল বাল্মীকি ৰামায়ণত পোৱা নাযায়। গতিকে এই অলংকাৰবোৰ তদানীন্তন সমাজৰ সামাজিক আচৰণৰ আধাৰত গ্ৰহণ কৰিছিল বুলি আমি নিঃসন্দিগ্ধভাৱে ক'ব পাৰো। মাধৱ কন্দলীৰ সময়ত (খ্ৰীঃ চতুৰ্দশ শতিকা) যে, অসমত শক্তিতত্ত্বই জনপ্ৰিয়তা লাভ কৰিছিল তাত সন্দেহ নাই।

অসমৰ বিভিন্ন অঞ্চলত প্ৰতিষ্ঠিত শাক্ত মঠ-মন্দিৰ আদিয়েও শক্তিতত্ত্বৰ প্ৰধান্যকেই সূচায়। প্ৰাচীন আৰু মধ্যযুগৰ পৰা নৱবৈষ্ণৱ ধৰ্মৰ আগমনলৈকে আনকি বৰ্তমানো শক্তিতত্ত্ব বা দেৱী উপাসনা অসমৰ এক অত্যন্ত প্ৰভাৱশালী উপাসনা পদ্ধতি স্বৰূপে প্ৰবহমান হৈ আছে। শৈৱধৰ্মৰ পাছতেই শক্তিতত্ত্বৰ স্থান নিৰ্দেশ কৰিব পাৰি। এই প্ৰসংগত ড° সত্যেন্দ্ৰ নাথ শৰ্মাই সমীচীন মন্তব্য প্ৰকাশ কৰিছে ঃ

> *Saktism was a dominant cult of Assam in ancient and medieval times up to the advent of neo-Vaisnavism, and even today it holds a place next to Vaisnavism.*"

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে, শক্তি উপাসনাই অতি প্ৰাচীন কালৰেপৰা অসমত মুখ্য স্থান লাভ কৰি আহিছে; আনকি নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰসাৰ আৰু প্ৰভাৱেও ইয়াৰ পৰিসৰ আৰু জনপ্ৰিয়তা হ্ৰাস কৰিব পৰা নাই। অসমৰ জাতি-জনজাতি উভয়ৰে মাজত শক্তিবাদৰ পৰম্পৰা বৰ্তমানো অক্ষত আৰু জীৱন্ত অৱস্থাত প্ৰচলিত। দ্বিতীয়তে, দুৰ্গা পূজা, বাসন্তী পূজা, জগদ্ধাত্ৰী পূজা, মনসা বা বিষহৰী পূজা, শীতলা পূজাৰ প্ৰচাৰ আৰু প্ৰসাৰ ক্ৰমশঃ বাঢ়িয়েই আছে। সাম্প্ৰতিক সমাজত দুৰ্গা পূজা, বাসন্তী পূজা আদি অনুষ্ঠানে সামাজিক সংহতিৰ প্ৰতীক স্বৰূপেই সামাজিক প্ৰকাৰ্য্য সাধন কৰিবলৈ সক্ষম হৈছে। এই ফালৰপৰা শক্তিবাদ বৰ্তমানো শক্তিশালী সামাজিক ব্যাপাৰ আৰু সামাজিক ব্যাপাৰ স্বৰূপেই শক্তিবাদে সামাজিক ভূমিকা পালন কৰি আছে বুলি ক'লেহে বজিতা খায়। সামাজিক বাৰ্তাৰ অভিজ্ঞানত শক্তিবাদৰ সৈতে সম্পৃক্ত পূজা-উপাসনাদি অনুষ্ঠানৰ গুৰুত্ব সততে লক্ষ্য কৰিব পাৰি।